# অনন্যা ৰেণুকা



## ৰেণুকা দেৱী বৰকটকী অভিনন্দন গ্ৰন্থ

সম্পাদনাঃ লুট্ফা হানুম ছেলিমা বেগম



# অনন্যা ৰেণুকা

# অনন্যা ৰেণুকা

ৰেণুকা দেৱী বৰকটকীৰ ৮৫সংখ্যক জন্মদিৱস
উপলক্ষে প্ৰকাশিত অভিনন্দন গ্ৰন্থ

সম্পাদনা
লুট্‌ফা হানুম ছেলিমা বেগম

ANANYA RENUKA

অনন্যা ৰেণুকা

A book felicitating Renuka Devi Barkataki
on the occasion of her 85th birthday,
edited by Lutfa Hanum Salima Begum
and
published by Munin Barkotoki Memorial Trust,
Panchavati, GNB Road, Guwahati -781003

© 2016 Munin Barkotoki Memorial Trust

**প্ৰথম প্ৰকাশ**
নৱেম্বৰ ২০১৬

**প্ৰচ্ছদ গ্ৰাফিক্স**
ইমন ৰাজা

**অংগসজ্জা**
কুশল দত্ত

**প্ৰকাশক**
মুনীন বৰকটকী স্মাৰক ন্যাস, পঞ্চৱতী,
গোপীনাথ বৰদলৈ পথ, শিলপুখুৰী, গুৱাহাটী - ৭৮১ ০০৩

**মুদ্ৰণ**
ফেয়াৰগ্ৰাফিক্স
উদ্যোগ পাম, বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

## সূচী

আগকথা ‖ ০৭

ৰেণুকা দেৱী বৰকটকী ঃ ৰাজনীতি আৰু সমাজসেৱাত
উৎসৰ্গীকৃত জীৱনৰ ৰেঙণি ‖ উপেন্দ্ৰ বৰকটকী ‖ ১৯
বৰ্ণিল জীৱনৰ স্বৰ্ণিল পাতনি ‖ বাদল দাস ‖ ২৭
কামেই যাৰ একমাত্ৰ টনিক ‖ দিলীপ কুমাৰ হাজৰিকা ‖ ৩১
ৰেণুকাৰ জন্মদিনত ‖ হেম ভৰালী ‖ ৩৬
বাইদেউ, জন্মদিনৰ ওলগ ‖ মদন প্ৰসাদ বেজবৰুৱা ‖ ৫৮
সাহস, কৰ্ম আৰু সেৱাৰ ত্ৰিবেণী সংগম বাইদেউ ‖ অজয় দত্ত ‖ ৭১
ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ অসম শাখাৰ সভানেত্ৰী
ৰেণুকা দেৱী বৰকটকী ‖ শৰৎ বৰকটকী ‖ ৭৫
শ্ৰীযুতা ৰেণুকা দেৱী বৰকটকী বাইদেউলৈ ৮৫তম
জন্মদিনৰ শুভেচ্ছা ‖ মিনতি চৌধুৰী ‖ ৭৮
পৰম শ্ৰদ্ধাভাজন শ্ৰীযুতা ৰেণুকা দেৱী বৰকটকী বাইদেউলৈ
জন্মদিনৰ শুভেচ্ছা ‖ ৰেডক্ৰছ পৰিয়াল ‖ ৮১
কেন্দ্ৰীয় মন্ত্ৰী ৰেণুকা দেৱী বৰকটকীৰ সান্নিধ্যত ‖ ফণীন্দ্ৰ নাথ কলিতা ‖ ৮৩
জন্মদিনৰ হেঁপাহৰ কেক্‌টো... ‖ ৰণ্টু দেৱী ‖ ১০৫

My felicitations to Renukaji ‖ Dr. B. P. Singh ‖ 47
To my dear friend Renukadi ‖ Padma Seth ‖ 50
A tribute to my Baideo ‖ S. K. Agnihotri ‖ 52
A few lines on Mrs. Renuka Devi Barkataki ‖ Bhaskar Barua ‖ 55
My greetings to Mrs. Barkataki ‖ D. N. S. Shrivastava ‖ 62
My homage to Baideo ‖ Kuldeep Baishya ‖ 86
Walking down memory lane ‖ Aruna (Mamoni) Sharma ‖ 99
Opening my heart to Ma ‖ Meenaxi Barkataki ‖ 106

Renuka Devi Barkataki : A Profile ‖ 131

# আগকথা

ৰেণুকা দেৱী বৰকটকী বাইদেউৰ ৮৫তম জন্মদিনত উপহাৰৰূপে দিবলৈ বুলি এখনি অভিনন্দন গ্ৰন্থ সম্পাদনা কৰাৰ দায়িত্ব যেতিয়া মোক দিয়া হ'ল, মই দুটা কাৰণত আনন্দেৰে গ্ৰহণ কৰিলোঁ। প্ৰথম কথাটো হ'ল বাইদেউৰ বিষয়ে নজনা কথাবোৰ জনাৰ সুযোগ পাম। দ্বিতীয়টো হ'ল ১৯৯৬ চনত মই মুনীন বৰকটকী বঁটা লাভ কৰাৰেপৰা মোৰ সৃষ্টিশীল যাত্ৰাত বাইদেউৰপৰা পাই থকা অনুপ্ৰেৰণা আৰু উৎসাহ।

এই সংকলনটিত বাইদেউৰ ছাত্ৰ জীৱন, ৰাজনৈতিক জীৱন আৰু সামাজিক জীৱনৰ বিষয়ে লেখা বিচাৰি যিসকলৰ সৈতে যোগাযোগ কৰা হৈছিল, অধিকাংশৰেপৰা আশা কৰা মতে সঁহাৰি লাভ কৰিছিলোঁ। এই ক্ষেত্ৰত বাইদেউৰ জীয়ৰী মীনাক্ষীৰপৰা পাইছিলোঁ অকুণ্ঠ সহযোগিতা।

বিভিন্ন ক্ষেত্ৰত বাইদেৱে ৮৫ বছৰীয়া জীৱনটোত লাভ কৰিছিল বিচিত্ৰ অভিজ্ঞতা। বাইদেউৰ সকলো ধৰণৰ অভিজ্ঞতা সম্বলিত লেখা এই গ্ৰন্থত সন্নিৱিষ্ট কৰিব পৰা নগ'ল। উদাহৰণস্বৰূপে বাইদেৱে জে'লত লাভ কৰা অভিজ্ঞতা, বিদেশ ভ্ৰমণৰ অভিজ্ঞতা, বিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্যত লাভ কৰা অভিজ্ঞতা ইত্যাদি।

বৰ্ণময় অভিজ্ঞতাৰে পুষ্ট বাইদেউৰ জীৱনে অসমৰ এক বিশেষ ৰাজনৈতিক, সামাজিক সময় সামৰি থৈছে। সেই সময় ইতিহাস হ'লেও বাইদেউ তাৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ সাক্ষী হৈ আমাৰ মাজত আছে। সেয়া পৰম আনন্দৰ কথা।

সদায় কৰ্মমুখৰ আৰু গতিশীল হৈ থাকিবলৈ ভাল পোৱা বাইদেউলৈ অভিনন্দন গ্ৰন্থখনি উপহাৰৰূপে আগবঢ়ালোঁ। এখন গ্ৰন্থ কেতিয়াও একক প্ৰচেষ্টাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। সদায়ে কৰাৰ দৰে এই গ্ৰন্থখনৰো পৃষ্ঠা বিন্যাসৰ সকলো সূক্ষ্ম কামত ভাতৃপ্ৰতিম কুশল দত্তই যথেষ্ট সহায় কৰিলে। ছাত্ৰ অংকুৰ জ্যোতি তালুকদাৰ আৰু বিদ্যুৎ জ্যোতি শৰ্মাই সৰু-সুৰা কামবোৰত সহায় কৰি দিলে। সময়মতে গ্ৰন্থখন ছপা কৰি আগবঢ়াই দিয়াৰ বাবে ভৱানী অফছেট এণ্ড ইমেজিং প্ৰাঃ লিঃলৈও ধন্যবাদ থাকিল। বাইদেউৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লুৎফা হানুম ছেলিমা বেগম

২০ নৱেম্বৰ, ২০১৬